# এখন নদীৰ মৃত্যু

## মহিম বৰা

ধনেশ্বৰে জালখন চোতালত মেলি দি মাছৰ পাচিটো পিৰালি কাঁথিতে থৈ চোতালত তাৰে থৈ দিয়া পানীকলহ হুৰমুৰাই মূৰত ঢালিলে। গাটো হাত দুখনেৰে খলপ খলপ শব্দ কৰি দুবাৰমান পখালিলে। ভোলৰ জাল এটাৰে আঁঠুৰপৰা ভৰি দুখন যিমান পাৰে জোৰেৰে ঘঁহিলে। কলহৰ অৱশিষ্ট পানীখিনি কঁকালৰপৰা ভৰি দুখনত ঢালি ওচৰৰ তাঁৰত থকা গামোচাখনেৰে গাটো মাজে মাজে টুকি লৰালৰিকৈ শুকান চুৰিয়াখন পিন্ধি তিয়নি সলালে।

তথাপি ভৰিৰ খজুৱতি আৰম্ভ হ'লেই। বিৰক্তিত তাৰ উজলা দাঁতকেইটা আৰু উজ্জ্বল হৈ ওলাই আহিল।

লৰালৰিকৈ দুখোজমান ভিতৰৰ ফালে গৈ চিঞৰিলে ঘৈণীয়েকক, "হেৰ' চাওঁ, চাকি এটা লৈ আহচোন, কেৰাচিন তেল অলপকৈ ঘঁহি দিওঁ, খজুৱতি আহিলেই।"

ঘৈণীয়েকে লৰালৰিকৈ চাকি এটা লৈ আহি আগবঢ়াই দি ক'লে, "এতিয়া হাতত কেৰাচিন লগালে ভাত খাবানো কেনেকৈ?"

ধনেশ্বৰৰ মুখখনে বিৰক্তিত যিটো ভাঁজ ধৰি আছিল, সেইপিনেই পানীয়ে খোৱা খজুৱতিৰ যন্ত্ৰণাটো হেঁচা মাৰি ধৰি আছিল। এতিয়া ঘৈণীয়েকৰ কথাৰ উত্তৰ দিবলৈ গ'লে মুখৰ ভাঁজটো সলাই লৈ নতুন ভাঁজ এটা দিব লাগিব। সিও কম যন্ত্ৰণাৰ কাম নহয়। লগতে তেনে কৰিবলৈ গ'লেই ভৰিৰ যন্ত্ৰণাখিনি গৈ মূৰত উঠিব। লাভৰ ভিতৰত সামান্য কথাতে ঘৈণীয়েকে লপা-থপাটো খাব লাগিব। গতিকে মুখৰ সেই ভাঁজটো ৰাখিয়েই যিমান পাৰে জোৰেৰে ভেকাহি এটা মাৰি চাকিৰপৰা তেলখিনি বাকি লৈ দুয়োখন হাতেৰে ভৰি দুখনত ঘঁহিবলৈ লাগিল। যন্ত্ৰণাৰ সামান্য উপশম হোৱাত মাটি

অলপেৰে দুয়োখন হাত ঘঁহিবলৈ ধৰিলে। ঘৈণীয়েকে আকৌ ভেকাহি খোৱাৰ ভয়ত লৰালৰিকৈ পানী এঘটী আনি তাৰ হাতত বাকি দিলেহি।

তাৰ পিছত আৰম্ভ হ'ল তাৰ গালি ঃ এনেকুৱা মুৰ্খ-মতি দেশ থাকে নে? জীয়া নদী এখন কোনোবা দেশত মাৰি পেলায় নে? কটাৰ-পো কটা-খোৱাহঁতে ইয়ালৈকে দেশখন স্বাধীন কৰি লৈছিলে নে? আধাঘণ্টা পানীত থিয় হ'লেই গোটেইখন বখলা-বখল হয়।

ঘৈণীয়েকে মাছৰ পাচিটো বাহিৰৰপৰা ভিতৰ চোতালেদি আনি তাঁতশালৰ চালিখনৰ তলতে থ'লে। ওচৰৰ দুই-এজনী তিৰোতাও গোট খালেহি, উদ্দেশ্য মাছ কিমান পালে চোৱা। সিহঁতৰ ঘৰৰ মুনিহবিলাকো গৈছিল, কোনোৱে হয়তো কেইটিমান নাৰ মাছ, কোনোৱে অলপ পুঠি মাছ, কোনোৱে চেলেকনা মাছ কেইটামান পাই আনিছে।

ধনেশ্বৰৰ এই কথাত বৰ আপত্তি। বিশেষকৈ ভদ্ৰে বোলা ওচৰ ঘৰৰ নালীয়াৰ ঘৈণীয়েকজনীক সি দুচকু পাৰি দেখিব নোৱাৰে। সেই মানুহজনীৰ নজৰ বেয়া, তাইক মাছ মাৰিবলৈ যাওঁতে দেখিলে তাৰ সেই দিনটো অথলে যায়। কেইবাবাৰো প্ৰমাণ পাই থৈছে। আকৌ যিদিনা সি দুটামান মাছ পায়ো, নালীয়াৰ ঘৈণীয়েকে দেখি যেনেকুৱা উস্-আস্ আৰম্ভ কৰিব, ৰতন বুঢ়াৰ ওচৰত সিকি এটা তামোল-পাণ দুখন দি জালখন জৰাই নল'লে মাছ পোৱা হ'ল আৰু! গিৰীয়েকে যিমান পাওক, ধনেশ্বৰৰ মাছ সদায় সৰহ, তাৰ মাছ বেছি চিকুণ আৰু মোৱা মাছবিলাকো তাইৰ মানত পুঠি মাছ একোজনীৰ সমান। তথাপি সি খংটো হেঁচি উমৈহতীয়াকৈ কোৱাদি ক'লে, "পোহাৰলৈ নিওঁতে দেখিবিয়ে নহয় কি ৰৌ-বাহু মাৰি আনিছোঁ। ঘৰে ঘৰে তহঁতৰ যি মাছ পাইছে সেই উঁৰিকনা মোৱা-পুঠিয়ে। এতিয়া এইখন কলং নদী হৈ আছে নে, এইখন গেলা পুখুৰী। মাছ আহিব ক'ৰপৰা, পানীয়েই নাই। এনেখন স্বাধীন দেশ হ'ল ঐ জীয়া কলংখন মাৰি পেলালে। এই কলংপাৰৰ মাছুৱৈ ৰাইজখনকো যে লগতে মাৰি পেলালে এই চকু থকা ধেন্দেলাহঁতে দেখা নাই নেকি?

ধনেশ্বৰে পাকঘৰলৈ খাবলৈ বুলি সোমাই গৈও আকৌ ওলাই আহি হাত-মুখ জোকাৰি কথাকেইটা ক'লে। মাছ চাবলৈ বুলি গোট খোৱা মানুহকেইজনীয়ে প্ৰথম ধমকত মাছৰ পাচিটো চাবলৈ গৈ অলপ অসন্তুষ্ট হৈ ৰৈ গৈছিল যদিও এতিয়া সকলোকে ছুই যোৱাৰ সমস্যাৰ বিষয়ে ধনেশ্বৰৰ বক্তৃতা শুনি মনৰ অসন্তোষ তৎক্ষণাৎ জাৰি পেলাই তাৰ কথাখিনিলৈ কাণ দি তাৰ ফালে একেথৰে চাই ৰ'ল।

ধনেশ্বৰে এনে শ্ৰোতাৰ দল এটা পাই পেটৰ ভোক আৰু গোটেই পুৱা বেলাটো জাল মৰাৰ ভাগৰ ক্ষন্তেকলৈ পাহৰি গ'ল। সি পাকঘৰৰ দুৱাৰডলিত থিয় হৈ সিহঁতৰ ফালে সম্পূৰ্ণভাৱে মুখ ঘূৰাই আক্ৰোশ মিহলি সুৰত কৈ গ'ল, "আন নালাগে, বোপাইৰ দিনৰ কথাও নালাগে, আজি তিনি বছৰৰ আগলৈকে এই কলঙতে লাঙি-জাল ঘাট-জাল দুৰৰ কথা, তিনিবাৰ খেৱালি মাৰিয়ে তিনি দিনৰ চাউল-পাত, লোণ-তেলৰ খৰচ মই নিজে, এই অমুকায়ে উলিয়াইছিলোঁ। তেতিয়া নাৰ মাছ নোসোধেই, পাচিয়ে পাচিয়ে টেঙা গছৰ গুৰিতহে মানুহে পুতিছিল। কাৰণ তেতিয়া সেইখন আছিল জীয়া নৈ এখন। গতিকে লুইতৰপৰা জাকে জাকে মাছ বানত আহি কলঙত ৰৈ গৈছিল। আজি পুৱাৰপৰা থিয় দুপৰলৈ জাল মাৰি সৌৱা, সৌ কেইটা পাচিৰ তলতে মাছ। তাকো বাকৰ ঘুলিত অলপ পানী আছিল গুণেহে। অহাবাৰৰপৰা মটৰ চাইকেল চলাব পৰা হ'ব। বিহমেটেকাৰে গোটেইখন অটব্য হ'ল। ঝাওবনে কলঙৰ বুকু পুতি পেলালে। এনেকৈ এখন নৈ মাৰি পেলায় নেকি? লগে লগে এটা জাতিকো মাৰি পেলোৱা নাই নে চৰকাৰে? এই কলঙৰ পাৰৰ নদীয়াল ৰাইজে আজি কিহেৰে জীৱিকা উলিয়ায়? যাৰ দুকঠা মাটি আছে বাৰু খেতি কৰিলে, যাৰ মাছৰ ব্যৱসায়েই জীৱিকাৰ উপায় সেইবিলাকে কি কৰিব?"

হঠাৎ ধনেশ্বৰ ৰৈ গ'ল। কি হ'ব, ঘৰৰ ভিতৰত এই তিৰোতা মানুহৰ সভাত বক্তৃতা দি কি হ'ব? নামঘৰত কতবাৰ সি নিজেই কথাষাৰ উলিয়ালে, পঞ্চায়তৰ মেম্বাৰৰ হতুৱাই আঞ্চলিক পঞ্চায়তত প্ৰস্তাৱ দিয়ালে, কিন্তু কথা চৰকাৰৰ কাণত পৰাৰ আগতে ঢৌ ইয়াতে মাৰ গ'ল। কলঙৰ বানপানীয়ে সিপাৰৰ ৰাইজৰ অপকাৰ কৰে, নগাঁৱৰ টাউনৰ বৰ বৰ মানুহৰ ভেটি খহায়; গতিকে সেইবিলাক বৰ বৰ লোকে এইবোৰ সাধাৰণ মানুহৰ দুখৰ কথালৈ কাণসাৰ কিয় কৰিব? গতিকে সি কিবা এষাৰ ক'বলৈ গৈও মুখখন জোৰকৈ জপাই 'ওঃ' ধৰণৰ ক্ষোভজনিত শব্দ এটা উচ্চাৰণ কৰি কান্ধৰ গামোচাখন এবাৰ লৰাই লৈ ভিতৰ সোমাল। ভাত— অৱশ্যে ৰাতিৰে পঁইতা ভাত। এসাজ সিহঁতে নাখায়েই। সিহঁতে কিয়, বহুতেই, বহুতেই কিয় এই গাঁওখনৰ সকলোৱেই এসাজ নাখায়, কিছুমানে দুসাজৰ মূৰত এসাজ খায়। তাৰ নিজৰ কাৰণে দুখ নালাগে, স্কুললৈ যোৱা ল'ৰা-ছোৱালীকেইটাই পঁইতা ভাতকে খাই যাব লাগে, —স্কুলৰপৰা আহিও খাবলৈ নাপায় একো, সিহঁতে টান টান পঢ়াবোৰ কেনেকৈ পাৰিব? তাতকৈ দুখ লাগে তাৰ বুঢ়া বাপেকলৈ। বুঢ়াই মাটিয়ে-বাৰীয়ে ভাতে-ভঁৰালে খাই সমাজত সন্মানৰ স্থান গোসাঁই ঘৰৰ সাতোলাৰ বাব লৈ ভাওনাৰ সূত্ৰধাৰ হৈ গাঁৱত, সমাজত, মানভাগ খাই শেষ বয়সত দৰিদ্ৰতাৰ কৱলত পৰিল। মাক ঢুকুৱাৰ পিছৰপৰাই বুঢ়াও হটি গ'ল। বুঢ়াৰ দিনত মাছ, গাখীৰ, দৈ, মাখনৰ উভৈনদী, এতিয়া চাহৰ লগতো গাখীৰ অকণ নাই।

কি কণামুনাকৈ ভাত খাবলৈ বহিল।

তিৰোতাৰ দলটোৱে তাৰ কথাখিনি যেন মৰ্মে মৰ্মে অনুভৱ কৰিলে। সকলোৱে

ডুখৰি পীৰা পাৰি লৈ বহিল। ধনেশ্বৰৰ ঘৈণীয়েকৰ সমবয়সীয়া বা লগৰীয়া আৰু ওচৰচুবুৰীয়া তেওঁলোক। পথাৰত ভূঁই ৰুবৰ কাৰণে বা ধান দাবৰ কাৰণে বা চাপৰিৰ মাহ-সৰিয়হ তুলিবৰ কাৰণে সিহঁতে একেলগে হাজিৰা কৰিবলৈ যায়। মাছ বেচিবৰ কাৰণেও গাঁৱলৈ গ'লে সিহঁত দুই-তিনিজনী একেলগ হৈ যায়। গতিকে ঘৰলৈ আহিলে সিহঁতক বহ বুলি পীৰা পাৰি দিব নালাগে, তামোলৰ বটাটোও যোগাৰ কৰি দিব নালাগে, সকলোখিনি সিহঁতে ঘৰৰ দৰেই কৰি লয়।

ধনেশ্বৰ ভিতৰ সোমাই যোৱাৰ লগে লগে নালীয়াৰ ঘৈণীয়েক ভদ্ৰে বোলাজনীয়ে নিজকে কোৱাদি ক'লে, "মাটি-বাৰী থকা বোলোঁতে আমাকে বুজাইছে যদিও আমাৰ মাটি মুদা মাৰি থৈ আহিছে। নিমখ তেল, ৰজাৰ খাজনাত লাগি মহাজনকেই মাটিখিনি বেচি দিয়াৰ ঠিক কৰিছে। বাম মাটি, আগেয়ে কলংখন বৈ থকাত এই অঞ্চলৰ পথাৰবিলাকত জীপ আছিল, খেতিও হৈছিল। কলং শুকাই যোৱাৰ লগে লগে খেতি একেবাৰেই নোহোৱা হ'ল। নামত মাটি থাকি যদি খাজনাটোৱেই নোলায়, তেনেহ'লে মাটিগিৰী হৈ লাভ কি?? তাকে আমাৰ ল'ৰাহঁতৰ দেউতাকে কৈছে, "মাটি-বাৰী বেচি, গাঁও এৰি উত্তৰপাৰৰ ফালেহে উঠি যাব লাগিব।"

প্ৰথমেই অনুচ্চ সুৰত কথাখিনি আৰম্ভ কৰিছিল যদিও ক্ৰমে সেই সুৰ স্বাভাৱিক উচ্চতালৈ গৈ মূধচ পালেগৈ আৰু শেষৰ ফালৰ প্ৰশ্নসূচক কথাষাৰ পাভৈৰ ফালে চাই শেষ কৰিলে।

পাভৈয়ে তামোল এখন মুখত সুমাই আমঠুৰ খোলাটোৰপৰা মুখত খোৱা ধঁপাত অলপ চিকুটি এৰুৱাই, অলপ পাগুলি থাকে, মুখ ভৰি পৰা পিক্‌খিনি বাহিৰত পেলাবৰ কাৰণে উঠি যাবলৈ ধৰোঁতেই, ভদ্ৰেই তাইলৈকে প্ৰশ্নটো কৰাত আৰু পাভৈৰো এই সম্পৰ্কত ক'বলগীয়া উত্তৰ থকাত, লৰালৰিকৈ মুখখন টিপি ধৰি ভদ্ৰেৰ ফালে চাই মূৰ জোকাৰি সোঁহাতখনেৰে 'ৰ'বি', 'ৰ'বি', ধৰণৰ ইংগিত এটা কৰি, পিছফাললৈ গৈ পিক্‌খিনি পেলাই তাৰপৰাই নিজৰ উত্তৰটো আৰম্ভ কৰাৰ চেষ্টা কৰিলে।

"ৰ'বিচোন, ৰ'বি, সিদিনা যে মই ঢেঁকীয়া-কচুকেইডাল লৈ গাঁৱলৈ গৈছিলোঁ মোৱা মাছ কেইটামানেৰে সৈতে, কোনেও ধান দিব নোখোজে, পইচাহে যাঁচে। কাৰো খাবলৈ ধান নাই। বামুণ গাঁও, গোসাঁই গাঁও, কলিতা গাঁও, কোচ গাঁও, দয়ালবৰি গাঁও, ৰাম তামুলী, কাৰো ঘৰত ধান নাই। কাচিৎ দুই-এঘৰতহে। সকলোৱে কয় যে কলংখন বন্ধ কৰি দিয়াৰপৰাই পথাৰবিলাকত ৰস নাইকিয়া হ'ল, ধান-খেতি নোহোৱা হ'ল।

কেইবাজনীয়েও একেলগে কিবা এটা ক'বলৈ গৈছিল, এনেতে আগফালৰ দুৱাৰমুখত কাহ এটাৰ শব্দ শুনি সকলোৱে কথা বন্ধ কৰি ওৰণিবিলাক টানি টানি ল'লে। বুঢ়াই অৰ্থাৎ ধনেশ্বৰৰ দেউতাকে চিলিমটো বোৱাৰীয়েকৰ ফালে আগবঢ়াই দি ক'লে, "আঙঠা



দিলেই হ'ব। ধঁপাত আছেই। জয়ধন আহিছে।" বুঢ়াই অৱশ্যে সকলোৰে আলোচনা শুনি আছিল।

বোৱাৰীয়েকে চিলিমটো লৈ আনবিলাক তিৰোতা মানুহলৈ চাই ক'লে, "যিহে খৰি, আঙঠাবিলাক তৎক্ষণাৎ মৰি মৰি যায়। আগৰ দৰে ভাল খৰি এডালো পাবলৈ নাই; ভাত ৰন্ধাৰ যিহে কষ্ট।"

এইটোও সকলো তিৰোতাৰে সমান তিতা লগা অভিজ্ঞতা। গতিকে সকলোৱে একেলগে সমৰ্থন কৰি চিঞৰি উঠিল, "কৈছহে", "ক'ব নালাগে দে।" "চুলি পুৰিহে ভাত ৰান্ধিব লাগিব কেতিয়াবা।"

বুঢ়াই দুখোজমান আগবাঢ়ি আহি সিহঁতৰ সন্মুখীন হৈ গভীনভাৱে থিয় হৈ ৰ'ল। চুলিবিলাক চুটিকৈ কটা, চুলি নুবুলি আই সবাহত দিয়া পিঠাগুড়িৰ পাত এখনহে বুলিব পাৰি। চকুৰ চেলাউৰি, ভোম, কাণৰ কাষত থকা দীঘলীয়া নোমখিনি, হাতৰ নোম, সকলোবিলাকেই পিঠাগুড়িৰ দৰে বগা।

বুঢ়াই ওৰণি লোৱা মুখকেইখনলৈ এপাক ঘূৰি চাই ল'লে; তাৰ পাছত হাতৰ অংগি-ভংগিৰে সকলোকে কোৱাদি কৈ গ'ল ঃ

শস্য হৰিব, মৎস্য হৰিব, হৰিব বিৰিখৰ গুটি।
বৰ বৰ মানুহৰ বাক্য লৰিব, লৰিব ধৰমৰ খুটি।।

খৰি ক'ত পাবি? গছ আছে জানো এডালো? শস্য আছে নে, মৎস্য আছে নে, ধৰম আছে নে, কলিত আৰু কি হ'ব আৰু কি হৈছে; মহাপুৰুষে কি লিখি গৈছে 'দোৱাদশ'ত?

পৰিবে দুৰ্ভিক্ষে ভাতে মৰিবেক প্ৰজা
কৰৰ নিমিত্তে তাতে পীড়িবেক ৰজা।........
ৰাজ ভৃত্য সকলে কৰিব হুলস্থুল
নুগুচিব মনুষ্যৰ মনত আকুল।........
শুখাইবে শৰীৰ একো নাপাইবে আহাৰ
হইবেক কলিত লোক পিশাচ আকাৰ।........
মিছা মাতি সাউদে কৰিবে কিনা-বিকা
জীৱেক সম্পদ কৰি নিন্দিত জীৱিকা।
কৰিবে দুৰ্জন লোকে ধনতেসে গয়
খতিধন দিলে হৈবে অন্যায়তো জয়।........
আতি অণু প্ৰমাণ হৈবেক যত ধান
ছোট ছোট হৈব বৃক্ষ সমিধ প্ৰমাণ।........

আৰু মাধৱদেৱ পুৰুষে কি লিখিছে?

পিতৃৰ বচন পুত্ৰে নুশুনিব
কনিষ্ঠে জ্যেষ্ঠজনৰ
স্বামীৰ বচন ভাৰ্য্যা নুশুনিব
ভৃত্যজনে ঈশ্বৰৰ।........
কলি যুগে কন্যা গণে কৰিবেক
সঘনে পুত্ৰ প্ৰসৱ।........
যোড়শ বছৰ ভৈলে যুৱতীৰ
পৰিবে ভৰ যৌৱন।

বুঢ়াই সুৰ ধৰি গোৱা নাছিল। আঙুলি জোকাৰি কথা কোৱাদি প্ৰত্যেকটো শব্দকে গভীৰকৈ উচ্চাৰণ কৰি কৈ গৈছিল, "তেনেহ'লে কি হোৱা নাই, আৰু কি হ'বলৈ বাকী আছে। চকুৰ আগতে নৈখন বন্ধ কৰাও ৰাজপীড়ন নহয় নে? তেনেহ'লে?"

ধনেশ্বৰে ইতিমধ্যে খোৱা শেষ কৰি বাহিৰত মুখ ধুই গামোচাৰে হাত আৰু মুখ মচি মচি সোমাই আহিছিল। ঘৈণীয়েকে চিলিমটো ফুৱাই ফুৱাই শহুৰেকৰ ফালে আগবঢ়াই দিছিল। এনে অৱস্থাত সকলো অবাক হৈ ৰৈ গ'ল। বুঢ়াৰ মুখৰপৰা সৰ্ সৰ্ কৰে শাস্ত্ৰ বাণীবিলাক ওলাবলৈ ধৰিলে। তেনেকুৱা শাস্ত্ৰৰ বচন কতবাৰ কত ঠাইত শুনিবলৈ পোৱা যায়। কিন্তু সেইবিলাক ইমান গাজত লগা সঁচা হৈ কেতিয়াও তেওঁলোকৰ কাণৰ ভিতৰত নোসোমাইছিল। শাস্ত্ৰত কোৱা ভৱিষ্যৎ বাণীবিলাক আজি কলিৰ শেষত, কলং পাৰৰ সৰু গাঁও এখনৰ জীৱনলৈ, সৰু গাঁও এখন কিয়, দুখন, তিনিখন, এশখন, হাজাৰখনৰ হাজাৰ-বিজাৰ মানুহৰ জীৱনলৈ সঁচা হৈ আহিল। চাওঁতে চাওঁতে এই গাঁওখন শুকাই গ'ল, এই মানুহবোৰ শুকাই গ'ল, তেওঁলোকৰ দুৱাৰমুখৰ এই কলং নৈখন শুকাই যোৱাৰ দৰে। নৈত পানী নাই, পানীত মাছ নাই, পথাৰত ধান নাই, বাৰীত শাক নাই, গৰুত গাখীৰ নাই, সকলো হৰি গ'ল। কলিয়ে হৰি নিলে, কালে হৰি নিলে। মনৰ বেদনা ওৰণি তলৰ কৃত্ৰিম গাম্ভীৰ্যই কাৰো ঢাকি ৰাখিব নোৱাৰিলে, ইজনীয়ে সিজনীৰ মুখলৈ চাই নিজৰ অজ্ঞাতসাৰেই ডাঙৰ মাতেৰে বুঢ়াৰ কথাখিনি সমৰ্থন কৰি গ'ল আৰু সম্ভৱ ক্ষেত্ৰত দোহাৰি গ'ল।

ধনেশ্বৰে বটাৰপৰা তামোল এখন মুখত ভৰাই পিছ চোতালেদিয়ে আগফাল ওলাল। বুঢ়াই ধঁপাতৰ চিমিলটো ফু-দি বাহিৰলৈ লৈ গ'ল। তিৰোতাৰ দলটো ঘৰাঘৰি উঠিল। ধনেশ্বৰৰ ঘৈণীয়েকে লৰালৰিকৈ মাছকেইটা পাচিত ভৰাই বন বাছি, সৰু সৰু শামুকবোৰ আঁতৰাই কলপাত এখনেৰে ঢাকি তাৰ ওপৰত আন এটা পাচিৰে ঢাকি দিলে। দুপৰীয়া হ'লেও এতিয়াই মাছখিনি বেচিবলৈ নিনিলে পিছলৈ লৰি যাব আৰু মানুহে ল'বলৈ



এনুগেনাব। ভদ্ৰেও লগতে যাব, কাৰণ ভদ্ৰেৰ গিৰীয়েকেও মাছ বেছি পোৱা নাই, গতিকে বজাৰত বিক্ৰী কৰিবলৈ নিনিয়ে।

ধনেশ্বৰে আকৌ এবাৰ উভতি আহি কৈ গ'ল, ধানৰ বাহিৰে পইচালৈ মাছ বাতে ঘৈণীয়েকে নসলায়। তাৰ পিছত শোৱা কোঠালি সোমাই, গেঞ্জিটো গাত সুমুৱাই হাতত তাচযোৰ লৈ ওলাই গ'ল।

ঘৈণীয়েকে পিছফালৰপৰা চিঞৰ ধৰিলে, "তাচ খেলিয়ে কলং পাৰত বেলিটো শেষ নকৰিবা। ঘৰত কিন্তু মাটিতেল, খাইতেল আৰু নিমখ এজেৰাও নাই।"

ধনেশ্বৰৰ খংটোৱে টিঙিচ কৰে কোব মাৰি দিছিল, খালী নাই, নাই— সি ক'ৰপৰা আনি দিব লাগে! নাই নাখাব, চাউলকিটা পালেই হ'ল। তথাপি খংটো হেঁচি, উজলা দাঁত দুটা আৰু দীঘল কৰি উলিয়াই ক'লে, "মাছ কিন্তু পইচালৈ নেবেচিবি, এভাগত কুৰিটামান মোৱা-পুঠি দিবি আৰু ভাগত এমূৰীয়াকৈ ধান ল'বি।"

"বাৰু, বাৰু", —ঘৈণীয়েকে এইবাৰ শান্তভাৱে উত্তৰ দিব নোৱাৰিলে। গেজেৰা মাৰি কৈ উঠিল, "এমূৰীয়া কিয়, এদোণকৈ দিব নহয়! মানুহে ধান পেলাই থৈ দিছে, কুৰিটা মোৱা মাছত এমূৰীয়াকৈ দিব। তুমি নিজে যাবাচোন। এভাগ মাছৰ কাৰণে মানুহৰ লগত কিমান পেৰাপেৰি কৰিব লাগে। গ'লেহে বুজিবা।"

"মোৱা মাছৰ কিলো যদি চাৰি টকা হয়, তেন্তে এভাগত এমূৰীয়া ধান কিয় নহ'ব। বজাৰলৈ গ'লে এনে কায়দাত দগা-পাল্লা ধৰিম যে গ্ৰাহক বেটাহঁতে তৰ্কিবই নোৱাৰিব, কুৰিটা মোৱা মাছত আঢ়ৈশ গ্ৰাম তাবৎ এটকা দাম হৈ যাব।"

"হ'ব হ'ব, কিয় নহ'ব, তেতিয়া হ'লে মোৱা মাছৰ পেটত শিলগুটি ভৰাই নিলেহে হ'ব।"

"সেইটোনো কি ডাঙৰ কথা। টাউন-চহৰত ডাঙৰ ডাঙৰ বৰালি মাছ গোটেই বেচিবৰ হ'লে পেটত সেইদৰে ৰাস্তাৰ শিলগুটি-পাথৰ সুমুৱাই বেচে। চাউলৰ বেপাৰীয়ে এমোন চাউলত পাঁচ সেৰ ধান আৰু পাঁচ সেৰ মিহি শিলগুটি মিহলায়। সেইখিনি নকৰিলে 'বেৰচাই' নচলে নহয়। মোৱা মাছত শিলগুটি ভৰাব নালাগে, কিন্তু শামুকবোৰ বাচি পেলালি কিয়? সেইবিলাক সৰু সৰু শামুক মাছৰ লগত থাকেই, জালৰ লগত অহা বস্তু, আমি আনি দিয়া নহয় নহয়।"

"সেইবিলাক অইনায়ে দেশখন খালে। সেয়েহে আজি মানুহৰ বিলৈ নোহোৱা হৈছে।" শহুৰেকৰ কথাখিনিলৈ মনত পেলাই ক'লে ঘৈণীয়েকে।

"ওলালহি এইজনী ধৰ্ম যুধিষ্ঠিৰণীজনী। শাস্ত্ৰৰ বচনেৰে দেশ নচলে নহয়!"— বুলি সি আৰু কিবা ক'বলৈ গৈ মুখখন জপাই ফোঁ ফোঁ কৰে কোব ল'লে। কথাত কথা বাঢ়ে, গতিকে তৰ্ক কৰি লাভ কি। শাস্ত্ৰৰ কথা কয় সকলোৱে, কিন্তু ৰাখে কেইটাই?

ঘৈণীয়েকেও গাত চফা ৰিহা এখন মেৰিয়াই কঁকালত খোচোনাটো আঁটি বান্ধি, মূৰত আধাৰিটো লৈ মাছৰ পাচিটো বাহিৰলৈ দাঙি আনিলে আৰু দুবাৰখন জপাই পাচিটো মূৰত তুলি লৈ ওচৰৰ ভদ্ৰেক মাত দিলে, "হঁয়ে ভদ্ৰে, ওলালিনে, ব'।"

ওচৰৰ আন আন ঘৰৰপৰা দুই-এজনী ওলাল আৰু সামান্য মাছখিনিকে পাচিত লৈ তেওঁলোক গাঁৱৰপৰা ওলাই গ'ল— দুমাইল আঁতৰৰ গাঁৱলৈ। ধান থকা গাঁও ওচৰত নাই, যি দুই-এঘৰৰ ধান আছেও তেওঁলোকে মাছলৈ সলাব নোখোজে।

অলপ পিছত জয়ধন বুঢ়াৰ ওচৰৰপৰা ওলাই আহিল। ধনেশ্বৰক আগে আগে যোৱা দেখি ৰিং এটা মাৰিলে। ধনেশ্বৰ ৰ'ল। জয়ধন আদহীয়া মানুহ, ধনেশ্বৰে 'দেদাই' বুলি মাতে। কেইদিনমানৰপৰা দুপৰীয়া ধনেশ্বৰ নালীয়াহঁতৰ লগ লাগিছে। ধনেশ্বৰ, নালীয়াহঁতে কলং পাৰৰ কেন্দুগছ এজোপাৰ ছাঁত বহি দুপৰীয়াৰ সময়খিনি 'টুৱেণ্টি নাইন' খেলে। জয়ধনে খেলিব নাজানে যদিও ওচৰতে বহি চাই থাকেগৈ।

সকলো গৈ কেন্দুগছৰ তল পালেগৈ।

বুঢ়াৰ স'তেনো দুপৰীয়া কি কথা পাতিলি?" ধনেশ্বৰে গাৰ গামোচাখন বনৰ ওপৰত পাৰি তাচযোৰ তাৰ ওপৰত থৈ জয়ধনক সুধিলে।

নালীয়া, পদো, ধনী আদি লগৰীয়াকিজন মুখামুখিকৈ চাৰিওকাষে বহিল।

"সেইবিলাক কথা আৰু কি শুনিবি? মাটি যি কিডৰা আছিল মহাজনকে বেচিলোঁ। এতিয়া ঘৰৰ ভেটিটো আৰু বাৰীখন বাকী। তাকো বিক্ৰী কৰিলে মহাজনেই লওঁ বুলিছে। তাকে দেউতাৰ কাণ চোৰাই থ'লো, গাঁৱৰো মানী মানুহ, খেলৰো বুঢ়া।"

"ঘৰ-বাৰী বেচি ক'ত উটি-বুৰি ফুৰিবি?" তাচটো কাটি দি বিলাবলৈ পদোৰ ফালে আগবঢ়াই দি ধনেশ্বৰে সুধিলে।

বাকীকিজনেও তাচপাত হাতত লৈ জয়ধনৰ মুখলৈ চাই ৰ'ল। সেই জয়ধন— যাৰ আটিল গা আৰু দীঘল চুলিকোছা এসময়ত সকলো ডেকাৰ ঈৰ্ষাৰ বস্তু আছিল আৰু যি সেই দুটাৰ যহতে ভাওনাত ভীম বা অসুৰৰ ভাও লৈ আহিছিল যোৱা কুৰি বছৰ ধৰি— গাঁওখনৰ গৌৰৱ সেই জয়ধন দেদাই আজি গাঁও এৰি যাবলৈ ওলাইছে, এপাল ল'ৰা-ছোৱালী আৰু এজনী বিয়া দিবলগীয়া গাভৰু ছোৱালীক লৈ। জয়ন্তী গাভৰু ছোৱালী, আনবিলাক ছোৱালীৰ মাজত জাকত-জিলিকা। তাইৰ বিয়াৰ কথাও মাজতে কুৰুং-কাৰাং হৈছিল।

"কিয়, জয়ন্তীৰ বিয়া কি কৰিলি? মাজতে কোনোবা দুযোৰমান আহিছিল নহয়?" ধনীয়ে সুধিলে।

"সাতে-পাঁচে"—জয়ধনে কাণত খোঁচ মাৰি থোৱা আধা খোৱা বিড়িটো জ্বলাই লৈ দুহোপামান ঘনাই হুঁপি ক'লে, "বিয়াখন পাৰিলে বোপাইৰ ভেটিতে পতাৰ ইচ্ছা। ঘৰ-বাৰী বেচি যি ধন পাওঁ তাৰে বিয়াখনত খৰচ কৰি বাকীখিনি লৈ উত্তৰ পাৰলৈ (ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰ) উঠি যোৱাৰ ব্যৱস্থা কৰিছোঁ। লুইতৰ পাৰত থাকিলে পৈতৃক জাতিগত ব্যৱসায়টো চলাই থাকিব পাৰিম। ইয়াত তাৰ মুদা মৰিল নহয়। জালবিলাক জহি-পচি গ'ল।"



জয়ধনে অলপ আঁতৰত কলঙৰ নিচেই কাষত উবুৰি খাই, জৰাজীৰ্ণ ৰূপত পৰি থকা নাও এখনলৈ সতৃষ্ণ দৃষ্টিৰে চাই ৰ'ল। তাচ খেলুৱৈকিজনেও হাতত তাচপাত লৈ ডাক দিবলৈ পাহৰি গ'ল। সকলোৱে জয়ধনৰ দৃষ্টিয়েদি নাওখনলৈ একেথৰে চাই ৰ'ল। সেই পৰি থকা নাওখনেই আজি দহ বছৰৰ আগতে শেষ হৈ যোৱা জয়ধনৰ ব্যস্ততা ভৰা অতীতটোৰ অচলাৱস্থা ঘোষণা কৰিছে। এই কেন্দুতলতে আছিল কলঙৰ পাৰঘাট। তেতিয়া ইয়াত চৰকাৰী নাও চলিছিল, গুটীয়া নাও, মাৰ নাও। জয়ধন আছিল সুদক্ষ গুৰিয়াল। মটৰ গাড়ী, গৰু গাড়ী, কত মুনিহ-তিৰোতা, ল'ৰা-ছোৱালী, মেলাৰ যাত্ৰী, স্কুলীয়া ল'ৰা, মাষ্টৰ, কত ধৰণৰ কিমান মানুহ এইপিনে পাৰ হ'ল। জয়ধন গুৰিয়ালৰ দক্ষতাৰ বাবে কোনোদিনেই একো দুৰ্ঘটনা নহৈছিল। এই ঘাটটোৱেই স্থানীয় কেবাজন ডেকাৰো পেটৰ ভাতৰ যোগান ধৰিছিল। যিদিনা ইয়াত প্ৰথম খুটাটো পুতি ভয়ানক গধুৰ যন্ত্ৰটোৰ প্ৰথম কোবটো মাৰিছিল, সেইদিনা জয়ধনৰ কলিজাত সেই কোবটো পৰিছিল। এই কেন্দুগছজোপাতে তেতিয়া মাৰনাও বান্ধিছিল।

দেশ স্বাধীন হোৱাৰ কাৰণেহে দলং হ'বলৈ পালে। দলং হ'ল বাৰু, ইয়াৰ যাত্ৰীবোৰৰপৰা এপইচাকৈও টেক্স লগোৱা হ'লে, ছাইকেলবিলাকৰ পৰা দুপইচাকৈও টেক্স লোৱা হ'লে, মটৰবিলাকৰপৰা আঠ অনাকৈও টেক্স লোৱা হ'লে চৰকাৰৰ দলং সজাৰ খৰচো ওলালহেঁতেন আৰু (টেক্স লোৱা কামটো অৱশ্যে তাকে দিব) তাৰো চাকৰিটো ৰ'লহেঁতেন।

জয়ধনে বিড়ি হুঁপি হুঁপি কি ভাবি গ'ল লগৰকেইজনে যেন ছিনেমাৰ দৰে চকুৰ আগত সেইখিনিকে দেখি গ'ল। সকলোৱে তাচপাত পেলাই বিড়ি একোটা জ্বলাই ল'লে। খেল আজি জমাৰ আশা নাই। সিহঁতৰ সন্মুখত কলং নামৰ এখন নদী আছিল। এতিয়া তাৰ বুকু ঢাকি ধৰিছে বিহমেটেকাই। মাজে মাজে ঝাওবন, নল-খাগৰিৰ গছ জোপোহা হৈ উঠিছে। অ'ত-ত'ত দুই-এটা ঘুলি আছে, তাকো বিহমেটেকাই ছাটি পেলাইছে। আজিকালি চৰকাৰী নলী-নাদ-কুঁৱা গাঁৱে গাঁৱে। কলঙৰ পাৰৰ জীয়ৰী-বোৱাৰীয়ে পানী নিবলৈ পুৱা-সন্ধিয়া হাতত-কাষত গাগৰী-কলহ লৈ নাহে আৰু। দুপৰীয়া চৰণীয়া গৰুৰ জাকে পানী বিচাৰি কলঙৰ বুকু টুকি ফুৰে, সেই পানী খাই গৰুৰ হয় নানা ধৰণৰ বেমাৰ। ব'হাগৰ বিহুত ভালেমান দূৰৰপৰা গাঁৱৰ ৰাইজে জাকে জাকে গৰু গা ধুৱাবলৈ এই কলঙলৈ অনাৰ অপূৰ্ব দৃশ্য, এই কলঙৰ পাৰৰ ভৱিষ্যতৰ ল'ৰা-ছোৱালীহঁতে আৰু দেখিবলৈ

নাপায়। কলঙৰ বানপানীয়ে গাঁৱৰ পথাৰত পলস নেপেলায় আৰু ব্ৰহ্মপুত্ৰৰ নানা ধৰণৰ মাছে এই কলং পাৰৰ এখন জিলাৰ ৰাইজক পুষ্টিকৰ খাদ্যৰ যোগান আৰু নিদিয়ে, আৰু তাতোকৈ ডাঙৰ কথা হ'ল, এই কলঙৰ পাৰত সাতাম পুৰুষ ধৰি বসতি কৰি পৈতৃক ব্যৱসায় চলোৱা এটা সম্প্ৰদায়ৰ অন্ন-বস্ত্ৰ মূল সুঁতিটোকে এই জীয়া নৈখনৰ লগতে ডিঙিত টিপি মাৰি পেলালে।

"আমাৰ এই সম্প্ৰদায়টোৰ উন্নতি হ'বনে বাৰু? ধ্বংস হৈ নাযাবনে আমাৰ এই সম্প্ৰদায়টো?" ধনেশ্বৰে নৈখনত দৃষ্টি নিবদ্ধ ৰাখিয়ে উমৈহতীয়াকৈ প্ৰশ্নটো সুধিলে।

জয়ধনে বিড়িৰ টুকুৰাটো দলিয়াই দি আন এটা বিড়ি জ্বলাই ল'লে। প্ৰত্যেকৰ মনৰ মাজত একেবিলাক ভাবেই পানীমেটেকাৰ দৰে ছাটি মাৰি ধৰিছে, প্ৰত্যেকৰ মনত একে প্ৰশ্নৰে উদয় হৈছে।

কলং যেতিয়া জীয়াই আছিল, তেতিয়া এনেকুৱা হাজাৰ-বিজাৰ পানীমেটেকা জাঁজি হৈ কোবাল সোঁতত উটি গৈছিল। পাৰত খামুচি ধৰি কোনোটো জাঁজি কেতিয়াবা ৰ'বলৈ চেষ্টা কৰে, কিন্তু পাৰে জানো? একোবত সোঁতে এৰুৱাই লৈ যাবই। কিন্তু সোঁত যেতিয়া নাথাকিল, এতিয়া অৱস্থা কি হ'ল? আজি আমাৰ গাঁৱৰ ল'ৰাহঁতলৈ নাচাৱ কিয়? কোনটো ল'ৰা পঢ়া-শুনাতে ভাল বা কাম-কাজতে ভাল? পটলুং পিন্ধি ঘূৰি ফুৰে, নহ'ল হালৰ, নহ'ল ফালৰ। আমাৰ গাঁও কিয়, আন আন গাঁৱৰ ল'ৰাবোৰনো কি? মেল মাৰি, আড্ডা দি, চাহৰ দোকানত বহি তাচ-পাশা খেলি পুৱা-গধূলি ঘূৰি ফুৰিছে। নাই হালত, নাই বেহা-বেপাৰত, নাই বিদ্যাত, নাই হাকিম-হুকুমৰ এপাচি দৰমহা খোৱা চাকৰিত। চৰকাৰী আলিত ক'ৰ বিদেশৰপৰা অহা মুনিহ-তিৰোতাই শিলগুটি কেইটামান ছটিয়ায়ে দিনটোত ছটকা হাজিৰা ঘটিছে। আমাৰ কোনোবাটো গৈছে যদিও আনবিলাকে উৎসাহ দিয়ক ছাৰি টিট্‌কাৰিহে দিছে। কাম এৰি যেতিয়া সকলোৱে কথাত ধৰিলোঁ, হেৰাই গ'ল আমাৰ একে ৰাতিতে গড় বন্ধা শক্তি।......সোঁত নোহোৱা নদীক জাঁজিয়ে, বিহমেটেকাই, অগৰা গছে ছাটি ধৰিবই।"

তাচৰ পাতবিলাক কেতিয়াবাই সিহঁতৰ হাতৰপৰা সৰি পৰিছিল। খেলত আজি স্পৃহা নাই। উদাস আৰু হতাশাভাৱে নৈখনৰ বুকুলৈ চাই ৰ'ল প্ৰত্যেকটোৱেই। অকাল বৈধব্য আৰু অকাল বাৰ্ধক্যৰ স্থবিৰতা লৈ স্থিৰ, নিশ্চল হৈ পৰি আছে কলং নৈখন, সিহঁতৰ ঠিক চকুৰ আগতে।

✦✦✦✦